# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-06-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - -**

১। কেন্দ্ৰীয় মন্ত্ৰীসভাত নতুন মন্ত্ৰীৰ আজি কাৰ্যভাৰ গ্ৰহণ।

২। সামুদ্ৰিক খণ্ডক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত মনোনিৱেশ কৰিব বুলি বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰ্যালয়ৰ কাৰ্যভাৰ গ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্য।

৩। অহা ২১ জুনত হ'বলগীয়া দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সকলোকে যোগক নিজৰ জীৱনৰ অবিচ্ছেদ্য অংশ হিচাপে গঢ়ি তুলিবলৈ আহ্বান।

৪। ৰাজ্যত বৰ্তমানলৈকে ৭৯ শতাংশ পৰিয়াললৈ খোৱাপানীৰ সুবিধা প্ৰদান কৰা হৈছে বুলি জলজীৱন আঁচনিৰ বিষয়াৰে হোৱা মুখ্য সচিবৰ পৰ্যালোচনা বৈঠকত প্ৰকাশ।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি পাকিস্তান কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেইবাগৰাকীও মন্ত্ৰীয়ে আজি কাৰ্যভাৰ গ্ৰহণ কৰিছে। ড° এছ জয়শংকৰে বিদেশ মন্ত্ৰী, কিৰেণ ৰিজিজুৱে সংসদীয় আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী, অশ্বিনী বৈষ্ণৱে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী, জে পি নাড্ডাই স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী, শিৱৰাজ সিং চৌহানে কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী, গজেন্দ্ৰ সিং শেখাৱটে সাংস্কৃতিক মন্ত্ৰী, জিতন ৰাম মাঝিয়ে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী, জ্যোতিৰাদিত্য সিন্ধিয়াই যোগাযোগ মন্ত্ৰী, ভূপেন্দ্ৰ যাদৱে পৰিৱেশ মন্ত্ৰী, মনোহৰ লালে শক্তি মন্ত্ৰী, গিৰিৰাজ সিঙে বস্ত্ৰ মন্ত্ৰী, চিৰাগ পাছোৱানে খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰী, চি আৰ পাটিলে জল শক্তি মন্ত্ৰী, ড° জিতেন্দ্ৰ সিঙে কৰ্মচাৰী আৰু প্ৰশিক্ষণ দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী, অৰ্জুন ৰাম মেঘৱালে আইন আৰু ন্যায় দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী, জয়ন্ত চৌধৰীয়ে দক্ষতা বিকাশ আৰু উদ্যমশীলতা বিভাগৰ ৰাজ্য মন্ত্ৰী, সঞ্জয় শেঠে প্ৰতিৰক্ষা ৰাজ্য মন্ত্ৰী, সুৰেশ গোপীয়ে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ ৰাজ্য মন্ত্ৰী, পৱিত্ৰ মাৰ্ঘেৰিটাই বস্ত্ৰ ৰাজ্য মন্ত্ৰী, অনুপ্ৰিয়া পেটেল আৰু যাদৱ প্ৰতাপ গণপত ৰাৱ স্বাস্থ্য ৰাজ্য মন্ত্ৰী তথা ড° এল মুৰুগনে তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছে।

কাৰ্যভাৰ গ্ৰহণ কৰি বিদেশ মন্ত্ৰী ড° এছ জয়শংকৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ বিদেশ নীতি অতিকে ফলপ্ৰসূ হ'ব বুলি আস্থা প্ৰকাশ কৰে। তেওঁ কয় যে, পাকিস্তান আৰু

চীনৰ ক্ষেত্ৰত ৰাষ্ট্ৰ দুখনৰ সৈতে থকা সীমা বিবাদৰ সমাধান সূত্ৰৰ অন্বেষণত গুৰুত্ব আৰোপ কৰা হ'ব। ভাৰতে সীমান্তেৰে চলোৱা সন্ত্ৰাসবাদৰ সমাধান বিচাৰে বুলিও তেওঁ উল্লেখ কৰে।

একেদৰে, কিৰেণ ৰিজিজুৱে সংসদীয় আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ দায়িত্ব গ্ৰহণ কৰি সকলো ৰাজনৈতিক দল আৰু লোকসভা তথা ৰাজ্যসভাৰ সকলো সদস্যৰ সহযোগিতা কামনা কৰে। তেওঁ কয় যে, চৰকাৰে সকলো নাগৰিকে সম দৃষ্টিৰে চায় আৰু সংহত নীতি তথা আঁচনি ৰূপায়ণত গুৰুত্ব দিয়ে।

ড° এল মুৰুগনে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে চৰকাৰী আঁচনি আৰু নীতিসমূহক সমাজৰ শেষৰজন ব্যক্তিৰ ওচৰলৈ লৈ যোৱাৰ বাবে যোগাযোগ অতিকৈ গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশ বিকশিত ভাৰতৰ দিশে অগ্ৰসৰ হোৱা বুলি তেওঁ মন্তব্য কৰে।

একেদৰে, এল জে পি ৰামবিলাসৰ নেতা চিৰাগ পাছোৱানে খাদ্য প্ৰসংস্কৰণ উদ্যোগৰ মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি কয় যে তেওঁ নিষ্ঠা সহকাৰে নিজৰ দায়িত্ব পালন কৰিব। তেওঁ লগতে খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰালয়ে খেতিয়কসকলক পোনপটীয়াকৈ লাভান্বিত কৰিব আৰু তেওঁলোকৰ আয় দুগুণলৈ বৃদ্ধি কৰাত সহায় কৰিব বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, বস্ত্ৰ ৰাজ্য মন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি পবিত্ৰ মাৰ্ঘেৰিটাই কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কেবিনেটত এই দায়িত্ব লাভ কৰি তেওঁ অতি আনন্দিত আৰু সুচাৰুৰূপে দায়িত্ব পালন কৰি যাবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে, বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে **সামুদ্ৰিক অমৃত কাল ভিজন ২০৪৭**ত কল্পনা কৰা সামগ্ৰিক বিকাশৰ দিশত সামুদ্ৰিক খণ্ডক শক্তিশালী কৰাৰ বাবে কাম কৰি যাব। কালি নতুন দিল্লীত বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ কাৰ্যভাৰ গ্ৰহণ কৰি শ্ৰী সোণোৱালে তেওঁৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলক সম্বোধন কৰি এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে বিকশিত ভাৰতৰ লক্ষ্য পূৰণৰ দিশত দেশৰ প্ৰতি সেৱা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি সম্পূৰ্ণ কৰি তেওঁৰ দলটোক ভাল কাম কৰাৰ পৰম্পৰা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। শ্ৰী সোণোৱালে লগতে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে সামুদ্ৰিক খণ্ডক শক্তিশালী কৰাৰ দিশত আৰু অৰ্থনৈতিক শক্তিক্ষেত্ৰ হোৱাৰ লক্ষ্য পূৰণৰ বাবে দৃঢ়তাৰে কাম কৰি আহিছে। তেওঁৰ মন্ত্ৰালয়ে বিকশিত ভাৰতৰ চূড়ান্ত লক্ষ্যপ্ৰাপ্তিৰ এই যাত্ৰাত **ৰাষ্ট্ৰ প্ৰথম** মন্ত্ৰেৰে নিজকে প্ৰতিশ্ৰুতিবদ্ধ কৰি যাব বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোকে যোগক নিজৰ জীৱনৰ অবিচ্ছেদ্য অংশ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনাইছে। অহা ২১ জুনত হ'বলগীয়া দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ পৰিপ্ৰেক্ষিতত সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে প্ৰধানমন্ত্ৰীয়ে কয় যে, যোগ হৈছে একতা আৰু সমন্বয়ক উদযাপন কৰা শাশ্বত অনুশীলন। বিবিধ সংস্কৃতি আৰু ভৌগোলিক বিচিত্ৰতাৰ মাজত সংযোগ স্থাপনৰ ক্ষেত্ৰত যোগৰ উল্লেখযোগ্য ক্ষমতাৰ বিষয়ত

আলোকপাত কৰি তেওঁ কয় যে, সামূহিক কল্যাণৰ বাবে যোগে সমগ্ৰ বিশ্বৰ লাখ লাখ লোকক একত্ৰিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কৈছে যে যোগে শান্তি প্ৰদান কৰাৰ লগতে ধৈৰ্যৰে জীৱনৰ প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰাত সহায় কৰে। সামাজিক মাধ্যমত ভিডিঅ'ৰ জৰিয়তে বিভিন্ন আসন আৰু ইয়াৰ সুবিধাৰ বিষয়ে তেওঁ নিৰ্দেশনা আগবঢ়াইছে। এই ভিডিঅ'সমূহে জনসাধাৰণক নিয়মীয়াকৈ যোগাভ্যাস কৰিবলৈ অনুপ্ৰাণিত কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

ooooo

বিশ্ববিদ্যালয় অনুদান আয়োগে অহা শিক্ষাবৰ্ষৰ পৰা উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক বছৰত দুবাৰকৈ শিক্ষাৰ্থীৰ নামভৰ্তি কৰণৰ অনুমতি প্ৰদান কৰিবলৈ এটা বিশেষ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিয়মানুসাৰে বৰ্তমানে বছৰত এবাৰেই শিক্ষাৰ্থীৰ নামভৰ্তিকৰণৰ ব্যৱস্থা আছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধ্যক্ষ মমিডালা জগদেশ কুমাৰে কৈছে যে, শিক্ষা পৰিষদৰ ফলাফল ঘোষণাত বিলম্ব, শাৰীৰিক অসুস্থতা বা আন ব্যক্তিগত কাৰণত নিৰ্দিষ্ট সময়ত নামভৰ্তি কৰিবলৈ সমৰ্থ নোহোৱা শিক্ষাৰ্থীসকলক এই নতুন নীতিয়ে লাভান্বিত কৰিব। তেওঁ লগতে কয় যে, বছৰত দুবাৰকৈ বিশ্ববিদ্যালয়ত নামভৰ্তিৰ সুযোগে ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ বজাই ৰখাত সহায় কৰিব যিহেতু কোনো কাৰণত নামভৰ্তিৰ পৰা বঞ্চিত হোৱা শিক্ষাৰ্থী সকলে পুনৰ নামভৰ্তিৰ বাবে এবছৰ অপেক্ষা কৰাৰ প্ৰয়োজন নহ'ব।

ooooo

নৱনিৰ্বাচিত সাংসদ ৰকিবুল হুছেইনে আজি বিধায়ক পদ ত্যাগ কৰে। অসম বিধানসভাৰ ছেণ্ট্ৰেল হলত আয়োজিত এটা অনুষ্ঠানত সাংসদগৰাকীয়ে অসম মাতৃৰ সেৱা কৰাৰ ক্ষেত্ৰত অনাগত দিনত বিধায়িনী দলৰ সতীৰ্থসকলৰ সহায়-সহযোগিতা আশা কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ আইন আৰু ন্যায় মন্ত্ৰালয়ে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দুগৰাকী অতিৰিক্ত ন্যায়াধীশ সুস্মিতা ফুকন খাউণ্ড আৰু মিতালী ঠাকুৰীয়াক ন্যায়াধীশ হিচাপে নিযুক্তি প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে দুয়োগৰাকী অতিৰিক্ত ন্যায়াধীশৰূপে নিযুক্তিত অনুমোদন জনাইছিল। কলেজিয়ামৰ অনুমোদনৰ ভিত্তিত আজি কেন্দ্ৰীয় চৰকাৰে তেওঁলোকক ন্যায়াধীশৰূপে নিযুক্তি প্ৰদান কৰিছে। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ত অনুমোদিত ৩০ টা পদৰ বিপৰীতে বৰ্তমান ২৪ গৰাকী ন্যায়াধীশে কাৰ্যনিৰ্বাহ কৰি আছে।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি বিভাগৰ সৈতে চুক্তিবদ্ধ কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধিৰে এখন সভাত মিলিত হৈ তেওঁলোকৰ বিভিন্ন দাবী সন্দৰ্ভত বিতং আলোচনা কৰে। সভাত এই কৰ্মচাৰীসকলৰ দৰমহা বৃদ্ধি, প্ৰভিডেণ্ড ফাণ্ডৰ সুবিধা আদিকে ধৰি অন্যান্য সা-সুবিধা প্ৰদানৰ লগতে তেওঁলোকৰ কাৰ্যকাল ৬০ বছৰ পৰ্যন্ত নিয়মীয়াকৰণ কৰা আদি বিষয়সমূহৰ সন্দৰ্ভত চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰি আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে বিভিন্ন অপৰাধমূলক ঘটনাৰ বলি হোৱা ভুক্তভোগীক ক্ষতিপূৰণ প্ৰদান কৰা বিষয়টো সন্দৰ্ভত ৰাজ্যৰ মুখ্যসচিবক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দছে। এখন ৰাজহুৱা স্বাৰ্থ জড়িত

আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ বিচাৰপীঠে এই নিৰ্দেশ প্ৰদান কৰে। ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি ভুক্তভোগীক ক্ষতিপূৰনৰ ধন মোকলাই দিয়াৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেয়া মুখ্য সচিবে শপতনামা যোগে আদালকত অৱগত কৰিব লাগিব। উল্লেখযোগ্য যে বিভিন্ন গোচৰত আদালতে প্ৰদান কৰা নিৰ্দেশৰ পাছতো ভুক্তভোগীয়ে ক্ষতিপূৰণৰ ধন লাভ নকৰাক লৈ এগৰাকী অধিবক্তাই গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনখন দাখিল কৰিছিল।

০০০০০

ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাই জনস্বাস্থ্য কাৰিকৰী বিভাগ, জলজীৱন মিছনৰ বিষয়াসকল আৰু কেইবাখনো জিলাৰ আয়ুক্তৰ উপস্থিতিত অসমত জলজীৱন মিছন আৰু ইয়াৰ লগত সম্পৰ্ক থকা নলীযুক্ত পানীযোগান আঁচনিসমূহৰ অগ্ৰগতিৰ বিষয়ে পৰ্যালোচনা কৰে। কালি অনুষ্ঠিত পৰ্যালোচনা বৈঠকত প্ৰকাশ পোৱা মতে বৰ্তমানলৈকে ১৪ হাজাৰ ১৫১খন নলীযুক্ত পানীযোগান আঁচনি সম্পূৰ্ণ কৰা হৈছে আৰু এই আঁচনিসমূহৰ ভিতৰত ১২ হাজাৰ ১০৯ আঁচনি কাৰ্যক্ষম কৰি তুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ হাতত পৰিচালনা কৰিবৰ বাবে গতাই দিয়া হৈছে। জলজীৱন আঁচনি ঘোষণাৰ পূৰ্বে ৰাজ্যত গ্ৰামাঞ্চলৰ কেৱল ১ দশমিক ৬ শতাংশ পৰিয়ালেহে খোৱাপানীৰ সুবিধা লাভ কৰাৰ বিপৰীতে বৰ্তমান ৭৯ শতাংশ পৰিয়ালে এই সুবিধা লাভ কৰিছে। পৰ্যালোচনা বৈঠকত এই ক্ষেত্ৰত ধীৰ গতিৰে আগবঢ়া জিলাসমূহে চলিত বিত্তীয় বৰ্ষত আঁচনিখন সম্পূৰ্ণ কৰাৰ আশ্বাস দিয়ে। উল্লেখযোগ্য যে মুখ্য সচিবে আঁচনি ৰূপায়ণৰ লগত জড়িত ঠিকাদাৰসকলৰ কাম নিম্নমানৰ হ'লে তেওঁলোকৰ বিৰুদ্ধে যথোচিত কাৰ্যব্যৱস্থা হাতত ল'বলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

যক্ষ্মা ৰোগ নিবাৰণৰ লক্ষ্যৰে আজিৰেপৰা ৰাজ্যৰ বিভিন্ন জিলাত বি চি জি প্ৰতিষেধক প্ৰদান কৰা হৈছে। যক্ষ্মা নিবাৰণ শাখাই ২০২১ চনৰ পৰা দেশত এই ৰোগ নিৰাময়ৰ বাবে প্ৰতিষেধক দিয়াৰ ব্যৱস্থা কৰি আহিছে। বিশেষ কাৰণত বাওঁ বাহুৰ ছিটা লোৱাৰ পৰা বাদ পৰি যোৱা লোকসকলক এই অভিযানে সামৰি ল'ব। প্ৰাপ্তবয়স্ক যিকোনো সুস্থ লোকে এই বিনামূলীয়া বি চি জি প্ৰতিষেধক ল'ব পাৰিব।

শিৱসাগৰ জিলাতো ভাৰত চৰকাৰৰ পাইলট প্ৰজেক্টৰ অধীনত যক্ষ্মা ৰোগ নিবাৰণৰ বাবে বি চি জি প্ৰতিষেধক প্ৰদান কাৰ্যসূচী আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হৈছে। জিলাখনৰ আদৰ্শ চৰকাৰী চিকিৎসালয়ৰ চৌহদত অনুষ্ঠিত এই কাৰ্যসূচীত জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱ উপস্থিত থাকি শুভাৰম্ভ কৰে। এই অভিযানৰ অধীনত জিলাখনৰ মুঠ এক লাখ ৫২ হাজাৰ ৮৫৩ গৰাকী প্ৰাপ্তবয়স্ক লোকক সামৰি লোৱা হৈছে। উল্লেখযোগ্য যে এই পাইলট অভিযানত শিৱসাগৰৰ লগতে লখিমপুৰ জিলাকো সামৰি লোৱা হৈছে। শিৱসাগৰ জিলাৰ এহাজাৰ ৭০২টা কেন্দ্ৰত আজিৰেপৰা এই প্ৰতিষেধক প্ৰদান কাৰ্যসূচী আৰম্ভ হৈছে।

০০০০০

সাম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া জিলাত খাদ্য আৰু অসামৰিক যোগান বিভাগে অত্যাৱশ্যকীয় সামগ্ৰীৰ যাতে নাটনি নহয় তাৰ বাবে তৎপৰ হৈ পৰিছে। জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে কালি এই সন্দৰ্ভত অসামৰিক যোগান বিভাগ, ভাৰতীয় খাদ্য নিগম, ৰে'ল বিভাগ আৰু আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ বিষয়াসকল, অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ লগত জড়িত ব্যৱসায়ী, ৰন্ধন গেছ বিতৰক আৰু পেট্ৰ'ল পাম্পৰ স্বত্বাধিকাৰী সকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা

বিভাগৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালক গৰাকীয়ে ভাষণ দি আকস্মিক দুৰ্যোগ বা বানপানীৰ সময়ত জিলাখনত যাতে অত্যাৱশ্যকীয় সামগ্ৰীৰ যাতে নাটনি নহয় আৰু এনে অৱস্থাৰ সুযোগ লৈ কোনো কাৰণতে অনৈতিকভাৱে কৃত্ৰিম নাটনিৰ সৃষ্টি নকৰে তাৰ বাবে সকলোকে দৈনিক সামগ্ৰী মজুত তথা দৰৰ তালিকা জমা দিবলৈ নিৰ্দেশ দিয়ে। সভাখনত ৰে'ল তথা আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ বিষয়াসকলক আৰু আন খাদ্যবস্তু সৰবৰাহকাৰীসকলক ভৱিষ্যতে উদ্ভৱ হ'ব পৰা যিকোনো পৰিস্থিতিৰ মুখামুখি হ'ব পৰাকৈ প্ৰস্তুত হৈ থাকিব আহ্বান জনায়।

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাৰ কৃষকসকলৰ মাজত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আঁচনিৰ লগতে কৃষি বিভাগৰ অন্যান্য জনকল্যাণমূলক আঁচনিসমূহৰ সন্দৰ্ভত সজাগতা বৃদ্ধিৰ বাবে কৃষি বিভাগে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। আজি ডিব্ৰুগড় জিলাৰ লাহোৱাল আৰু ৰহমৰীয়া কৃষি চক্ৰৰ লগতে জয়পুৰ কৃষি চক্ৰতো কৃষি বিভাগে কৃষকসকলৰ মাজত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আঁচনিৰ সন্দৰ্ভত বিশেষ সজাগতা সভা অনুষ্ঠিত কৰে।

আনহাতে, মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত আজি গড়মূৰস্থিত জিলা ঔদ্যোগীক আৰু বাণিজ্য কেন্দ্ৰৰ সভাগৃহত সামূহিক সেৱা কেন্দ্ৰ আৰু বীমা কোম্পানীৰ বিষয়ববীয়াৰ সৈতে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আঁচনিৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। আগন্তুক সময়ত জিলাখনৰ সকলো কৃষকেই যাতে এই আঁচনিৰ অন্তৰ্ভুক্ত হোৱাৰ লগতে প্ৰয়োজনীয় সময়ত আঁচনিৰ সুফল লাভ কৰিব পাৰে সেই সন্দৰ্ভতো সভাত বিতংভাৱে আলোচনা কৰা হয়। সভাত জিলা কৃষি বিষয়া, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া, সহকাৰী কৃষি পৰিদৰ্শক, জিলা ঔদ্যোগিক আৰু বাণিজ্যকেন্দ্ৰৰ সহকাৰী প্ৰবন্ধককে ধৰি সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

ইপিনে, গড়মূৰ কৃষিচক্ৰৰ অন্তৰ্গত ৰঙাচাহিৰ ঠাকুৰসুঁতি গাঁৱত আজি জিলা কৃষি বিষয়া নাচেৰ ইকবাল ৰেজাই জৈৱিক মূল্য শৃংখল অভিযান আঁচনিৰ অধীনৰ মাজুলী এগ্ৰ' অৰগেনিক কৃষক উৎপাদক কোম্পানীৰ ধানকলৰ স্থায়ী গৃহৰ আধাৰশিলা স্থাপন কৰে।

০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ বহুমুখী প্ৰেক্ষাগৃহত আজি সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ ৬৭ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। বৃত্তিগত গো-সেৱাৰ শতবৰ্ষৰ দুৱাৰদলিত উপনিত হোৱা তথা মধ্য অসমত দুগ্ধ বিপ্লৱৰ সূচনা কৰা সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি কৃষক সভাৰ আয়োজন কৰা হয়। কৃষক সভাত উপস্থিত থাকি মন্ত্ৰী পীযুষ হাজৰিকাই নন্দলাল উপাধ্যায় ৰাজ্যিক কৃষক বঁটা ২০২৩ আৰু ২০২৪ প্ৰদান কৰে। ২০২৩ বৰ্ষৰ বাবে বাক্সা জিলাৰ উত্তৰ আঞ্চলিক জেনেৰেল পাগলাদিয়া ডাং-বান্ধ কমিটি আৰু ২০২৪ বৰ্ষৰ বাব লখিমপুৰৰ সান্দহখোৱাৰ লফা গাঁও উন্নয়ন সমিতিয়ে এই বঁটা লাভ কৰিছে। ইয়াৰ লগতে সমবায় সমিতিখনে কৃষিক বিষয়বস্তু হিচাপে লৈ ৰাজ্যিক ভিত্তিত আয়োজন কৰা প্ৰেম বাহাদুৰ থাপা স্মাৰক চিত্ৰাংকণ প্ৰতিযোগিতা আৰু বিষ্ণু বজগাই স্মাৰক ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহো প্ৰদান কৰা হয়। সভাত সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ যাত্ৰা পুথি আৰু সীতাজখলা শীৰ্ষক স্মৃতি গ্ৰন্থও উন্মোচন কৰা হয়।

০০০০০

নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি পাকিস্তান কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। পাকিস্তান

এতিয়ালৈকে খেলা দুয়োখন খেলতে পৰাজিত হৈছে। আনহাতে, কানাডাই নিজৰ অন্তিমখন খেলত আয়াৰলেণ্ডক ১২ ৰানত পৰাস্ত কৰিছে।

০০০০০

গোলাঘাট জিলাৰ সৰুপথাৰৰ নিশামণি বৰাই যোৱা ৫ জুনৰ পৰা ৯ জুনলৈকে চেন্নাইত অনুষ্ঠিত সৰ্বভাৰতীয় ৰিণ্ড ছাৰ্ফিং প্ৰতিযোগিতাত ক্ৰমাগত দ্বিতীয়বাৰৰ বাবে সোণৰ পদক লাভ কৰিছে। তামিলনাডু ছেইলিং এচ'ছিয়েছনে আয়োজন কৰা এই প্ৰতিযোগিতাত দেশৰ বিভিন্ন ৰাজ্যৰ ১৮টা ছেইলিং ক্লাবে অংশগ্ৰহণ কৰিছিল।

০০০০০

সমাপ্ত